সিহঁতে সেইবোৰক হাৰাম নকৰেনে যিবোৰক আল্লাহে হালাল কৰিছে, ফলত তোমালোকে সেইবোৰক হাৰাম বুলি মানি লৈছা? আৰু সিহঁতে সেইবোৰক হালাল নকৰেনে যিবোৰক আল্লাহে হাৰাম কৰিছে, ফলত তোমালোকে সেইবোৰকো হালাল বুলি মানি লৈছা? মই ক’লোঁ, হয় নিশ্চয়। তেখেতে ক’লেঃ এইটোকেই সিহঁতৰ ইবাদত কৰা বুজাইছে।

আদী ইবনে হাতিম ৰাদ্বিয়াল্লাহু ‘আনহুৰ পৰা বৰ্ণিত, তেওঁ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামক এই আয়াত “সিহঁতে আল্লাহৰ বাহিৰে সিহঁতৰ পণ্ডিত আৰু সংসাৰ-বিৰাগীসকলক সিহঁতৰ ৰব্বৰূপে গ্ৰহণ কৰিছে আৰু মাৰইয়ামৰ পুত্ৰ মছীহকো। অথচ এক ইলাহৰ ইবাদত কৰাৰ বাবেই তেওঁলোক আদিষ্ট হৈছিল। যাৰ বাহিৰে আন কোনো সত্য ইলাহ নাই। সিহঁতে যি অংশী স্থাপন কৰে তাৰ পৰা তেওঁ অতি পৱিত্ৰ!” [ছুৰা আত-তাওবাহ, আয়াত: 31] তিলাৱত কৰা শুনিছে। ইয়াৰ পিছত তেওঁ তেখেতক ক’লেঃ আমিতো সিহঁতৰ ইবাদত কৰা নাই। তেখেতে ক’লেঃ এইটো সঁচা নহয়নে যে, আল্লাহে যিটোক হালাল কৰিছে সেইটোক সিহঁতে হাৰাম কৰিলে তোমালোকে সেইটোক হাৰাম বুলি মানি লৈছিলা? লগতে আল্লাহে যিটোক হাৰাম
কৰিছে সিহঁতে সেইটোক হালাল কৰিলে তোমালোকে সেইটোক হালাল বুলি মানি লৈছিলা? মই ক’লোঁ, হয় নিশ্চয়। তেখেতে ক’লেঃ এইটোকেই সিহঁতৰ ইবাদত কৰা বুজাইছে। ছহীহ – এই হাদীছটোক তিৰমিজীয়ে বর্ণনা কৰিছে। [ছহীহ] [(তিৰমিজী)]

যেতিয়া এই বিশিষ্ট চাহাবীজনে ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামৰ মুখত এনেকুৱা এটা আয়াত তিলাৱত শুনিলে যি আয়াতত ইয়াহূদী আৰু খ্ৰীষ্টানসকলৰ বিষয়ে আলোচনা কৰা হৈছে যে, সিহঁতে সিহঁতৰ পাদ্রীসকলক আৰু আলিমসকলক ইলাহ সাব্যস্ত কৰিছে, সেই পাদ্ৰীসকলে সিহঁতৰ বাবে আল্লাহৰ বিধানৰ পৰিপন্থী বিধান দিয়ে যাৰ অনুকৰণ সিহঁতে কৰে, এই আয়াতটো শুনাৰ পিছত তেওঁৰ বাবে আয়াতৰ ব্যাখ্যাটো কঠিন হৈ পৰে। কাৰণ, তেওঁ ধাৰণা কৰিছিল যে, ইবাদত কেৱল ছাজদাহ কৰা ইত্যাদিৰ মাজতেই সীমাবদ্ধ। ফলত ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে তেওঁক জনাই দিলে যে, আল্লাহ আৰু তেওঁ ৰাছুলৰ বিধানৰ বিপৰীতে হালালক হাৰাম আৰু হাৰামক হালাল সাব্যস্ত কৰাৰ ক্ষেত্রত আলিম আৰু পাদ্রীসকলৰ অনুকৰণ কৰাটোও হৈছে সিহঁতৰ ইবাদত কৰা।

http://www.sunnah.global/hadeeth/as/show/3384